জাতিৰ আৱেগ সমাজৰ বিৱেক

# দৈনিক জনমভূমি

portal : www.dainikjanambhumi.com e-paper : www.dainikjanambhumi.co.in Dainik Janambhumi

৫৪ সংখ্যক বছৰ ● তিনিচুকীয়া, দ্বাবিংশতিতম বছৰ, সংখ্যা ২০৪ ● শনিবাৰ ● ২০ চ'ত ● ১৯৪৭ শক RNI No. ASSASS/2006/16737 DAINIK JANAMBHUMI Tinsukia Saturday April 4, 2026 ● ১৬ পৃষ্ঠা ● তিনিচুকীয়া, যোৰহাট আৰু গুৱাহাটীৰপৰা প্ৰকাশিত ● মূল্য ঃ ৯ টকা

PRAG NEWS প্ৰাগৰ খবৰ প্ৰকৃত খবৰ

Rengoni

NE NEWS

TINSUKIA COLLEGE LIBRARY ASSAM ESTD 1956

...াৰে বাবে শিক্ষা আৰু অসমৰ ...হকে চিন্তা কৰা এখন চৰকাৰৰ

আহ্বান জনায়। ইয়াৰ পূৰ্বে শিল্পী ডিম্পল নাথে এটা ভক্তিমূলক গীতেৰে সকলোকে আপ্লুত কৰে।

## তিনিচুকীয়া মহাবিদ্যালয়ত কৰ্মশালা

তিনিচুকীয়া ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ৩ এপ্ৰিল ঃ তিনিচুকীয়া মহাবিদ্যালয়ৰ কেৰিয়াৰ কাউন্সেলিং, প্ৰশিক্ষণ আৰু প্লেচমেণ্ট চে'লৰ উদ্যোগত, উচ্চ শিক্ষা সঞ্চালকালয়, অসম আৰু Institute of Management Studies (IMS), গুৱাহাটীৰ সহযোগত কালি প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি আৰু ব্যক্তিত্ব বিকাশ শীৰ্ষক এখন কৰ্মশালা অনুষ্ঠিত হয়। মহাবিদ্যালয়ৰ ৰুছা ভৱনত পুৱা ৯-৩০বজাৰ পৰা হোৱা কৰ্মশালাত সমল ব্যক্তি হিচাপে আই এম এছ গুৱাহাটীৰ প্ৰশিক্ষক সিদ্ধাৰ্থ সেন আৰু চন্দিতা ডেকা উপস্থিত থাকে। প্ৰশিক্ষকদ্বয়ে ব্যক্তিত্ব বিকাশ, যোগাযোগ দক্ষতা, সময় ব্যৱস্থাপনা আৰু প্ৰতিযোগিতামূলক পৰীক্ষাত সফল হোৱাৰ বিভিন্ন কৌশলৰ সম্পৰ্কত বক্তব্য আগবঢ়ায়। সহকাৰী অধ্যাপক দেৱকান্ত বুঢ়াগোহাঁয়ে জানিবলৈ দিয়া অনুসৰি, তিনিচুকীয়া মহাবিদ্যালয়ত কেৰিয়াৰ কাউন্সেলিং, প্ৰশিক্ষণ আৰু প্লেচমেণ্ট চেলৰ উদ্যোগত নিয়মীয়াকৈ ছাত্ৰ- ছাত্ৰীসকলৰ বাবে বিনামূলীয়াকৈ প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি আৰু ব্যক্তিত্ব বিকাশ বিষয়ক কৰ্মশালাৰ আয়োজন কৰি আহিছে। অনুষ্ঠানটো আয়োজন কৰাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়োৱা IQACৰ সমন্বয়ক ড° বুলবুল গগৈ, একাডেমিক সমন্বয়ক নিৰঞ্জন কুমাৰ শুক্লা, অংকিত সেন, মানসপ্ৰতিম গোস্বামী, দৈমু বসুমতাৰী আৰু সংগীতা পাছীয়ে বিদ্যালয় কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে।